# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 20-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আজি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু পেৰু অভিমুখে ৰাওনা হৈছে।

২। জম্মু কাশ্মীৰৰ ৰামবান জিলাত হোৱা প্ৰবল শিল বৰষুণ, ধুমুহা আৰু ভূমিস্খলনত কমেও ৩ গৰাকী লোকৰ মৃত্যু হৈছে।

৩। বিশ্বজুৰি আজি খ্ৰীষ্টানসকলৰ পবিত্ৰ উৎসৱ ইষ্টাৰ উদযাপন কৰা হৈছে।

আৰু

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল খেলোৱা হ'ব। বিয়লি চাৰে তিনি বজাত চণ্ডীগড়ত হ'বলগীয়া প্ৰথমখন খেলত পাঞ্জাব কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মুম্বাইত হ'বলগীয়া আনখন খেলত মুম্বাই ইণ্ডিয়ানছে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে খেলিব।

০০০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আজি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু পেৰু অভিমুখে ৰাওনা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰত ছানফাঞ্চিছকোত দুদিনীয়া ভ্ৰমণকালত শ্ৰীমতী সীতাৰমণে ষ্টেনফোৰ্ড বিশ্ববিদ্যালয়ৰ হুবৰ প্ৰতিষ্ঠানত মূল ভাষণ দিব আৰু আগশাৰীৰ পুঁজি ব্যৱস্থাপনা কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে মত বিনিময় কৰিব। তদুপৰি, বিত্তমন্ত্ৰীগৰাকী দেশখনৰ তথ্য প্ৰযুক্তি কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হ'ব। শ্ৰীমতী সীতাৰমণে প্ৰবাসী ভাৰতীয়সকলৰ এটা অনুষ্ঠানতো ভাগ ল'ব আৰু তেওঁলোকৰ সৈতে মত বিনিময় কৰিব।

ইয়াৰ পাছত ৱাশ্বিংটন ভ্ৰমণকালত বিত্তমন্ত্ৰীগৰাকীয়ে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আৰু বিশ্ববেংকৰ স্প্ৰীং মিটিঙত ভাগ ল'ব। তেওঁ লগতে জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ বিত্ত মন্ত্ৰীসকল আৰু কেন্দ্ৰীয় বেংকৰ গৱৰ্নৰসকলৰ দ্বিতীয়লানি বৈঠকত অংশগ্ৰহণ কৰিব।

শ্ৰীমতী সীতাৰমণে ২৬ এপ্ৰিলৰ পৰা পেৰু ভ্ৰমণ কৰিব। পেৰুত তেওঁ ভাৰতৰ বিত্ত মন্ত্ৰালয়ৰ বিষয়া আৰু ব্যৱসায়ীসকলৰ এটা প্ৰতিনিধিদলক নেতৃত্ব দিব।

০০০০০০০০০

জম্মু কাশ্মীৰৰ ৰামবান জিলাত হোৱা প্ৰবল শিল বৰষুণ, ধুমুহা আৰু ভূমিস্খলনত কমেও ৩ গৰাকী লোকৰ মৃত্যু হৈছে। অঞ্চলটোত বতৰৰ এই ভয়ানক ৰূপত বহু সা-সম্পত্তি নষ্ট হয়। প্ৰশাসনে ১০০ৰো অধিক লোকক উদ্ধাৰ কৰে। ধৰমকুণ্ড গাঁৱত বৰষুণে সৃষ্টি কৰা বানত কমেও ৪০টা বাসভৱনৰ ক্ষতি হয়। প্ৰবল বৰষুণত জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নাচৰি আৰু বানিহালৰ মাজত বহু ঠাইত ভূমিস্খলন হয়। সেই পথেৰে যানবাহনৰ চলাচল ব্যাহত হয়। পথটো মুকলি কৰাৰ কাম চলি আছে যদিও বতৰৰ বাবে এই কাম খৰতকীয়া হৈ উঠা নাই। প্ৰশাসনে সামগ্ৰিক পৰিস্থিতিত দৃষ্টি ৰাখিছে। বেয়া বতৰৰ বাবে শ্ৰীনগৰ-সোণমাৰ্গ-গুমৰি পথ, ঐতিহাসিক মোগল ৰোড, ছিনথান টপৰোডো বন্ধ হৈ আছে।

000000000

বাংলাদেশত ৰাষ্ট্ৰীয় কেন্দ্ৰীয় ব্যুৰ', এন চি বিয়ে প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাকে ধৰি ১২ গৰাকী লোকৰ বিৰুদ্ধে ৰেড নটিচ জাৰি কৰিবলৈ ইণ্টাৰপ'লক অনুৰোধ জনাইছে। এই ১২গৰাকীৰ ভিতৰত শ্বেইখ হাছিনা চৰকাৰৰ পথ পৰিবহন আৰু দলং মন্ত্ৰী তথা আৱামি লীগৰ সাধাৰণ সম্পাদক অ'বাইদুল কুৱাডাৰ আৰু প্ৰাক্তন গৃহমন্ত্ৰী আছাদুজ্জামান খানো আছে। বাতৰি অনুসৰি আৰক্ষী মুখ্য কাৰ্যালয়ৰ গণমাধ্যম বিভাগৰ সহকাৰী মহাপৰিদৰ্শক ইনামুল হক ছাগ'ৰে কালি এই কথা প্ৰকাশ কৰে। যোৱা বছৰৰ নৱেম্বৰত ঢাকাৰ আন্তৰ্জাতিক অপৰাধ ন্যায়াধিকৰণে প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা আৰু অনান্যসকলক গ্ৰেপ্তাৰ কৰাৰ বাবে ইণ্টাৰপ'লৰ সহায় বিচাৰিবলৈ বাংলাদেশৰ আৰক্ষী মুখ্য কাৰ্যালয়ক আনুষ্ঠানিকভাবে অনুৰোধ জনাইছিল।

000000000

অসমত অহা ২ মে'ত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। শাসক-বিৰোধী সকলো নিৰ্বাচনক লৈ ব্যস্ত হৈ পৰিছে। ৰাজ্যখনৰ ডিব্ৰুগড় জিলাত ইতিমধ্যে বহুকেইজন বিজেপিৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলা পৰিষদত ৩ জন, আঞ্চলিক পঞ্চায়তত ১০ জন নিৰ্বাচিত হোৱাৰ লগতে পানীতোলা গাঁও পঞ্চায়তত দুজন ৱাৰ্ড সদস্য, লাহোৱাল গাঁও পঞ্চায়তত ১৫ জন, বৰবৰুৱাত ৯ জন, তেঙাখাটত ৩১ জন, জয়পুৰত ১৯ জন, খোৱাঙত ১৫ জন আৰু টিংখাং গাঁও পঞ্চায়ত ১২ জন ৱাৰ্ড সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে পৰহিলৈ ছৌদি আৰবৰ জেদ্দালৈ যাব। এয়া হ'ব বিগত চাৰি দশকত কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম জেদ্দা ভ্ৰমণ। এইবাৰৰ এই ভ্ৰমণ বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে কিয়নো, পূৰ্বৰ ভাৰতীয় প্ৰধানমন্ত্ৰীসকলৰ ছৌদি আৰব ভ্ৰমণ ৰিয়াধলৈকে সীমিত আছিল। ইয়াৰ পূৰ্বে ১৯৮২ চনত তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জেদ্দা ভ্ৰমণ কৰিছিল।

ভাৰতৰ স্বাধীনতাৰ পাছতে ১৯৪৭ চনত দুয়োখন দেশৰ মাজত আনুষ্ঠানিকভাৱে স্থাপন হোৱা কূটনৈতিক সম্পৰ্কই ৭৮ বছৰজোৰা ইতিহাসত ভালেমান গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি অতিক্ৰম কৰিছে। আঞ্চলিক সুস্থিৰতা, শক্তি সুৰক্ষা আৰু অৰ্থনৈতিক সহযোগিতাৰ ক্ষেত্ৰত বৰ্ধিত পাৰস্পৰিক স্বাৰ্থক প্ৰতিফলিত কৰি দুয়োখন দেশে ২০১০ চনত তেওঁলোকৰ সম্পৰ্ক কৌশলগত সহযোগিতালৈ উন্নীত কৰিছে। ২০১৬ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰথম ছৌদি আৰব ভ্ৰমণ দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্বন্ধৰ গুৰুত্বপূৰ্ণ ক্ষণ ৰূপে পৰিগণিত হৈছে। এই ভ্ৰমণ কালত ৰজা ছলমানে প্ৰধানমন্ত্ৰী মোদীক ছৌদি আৰবৰ সৰ্বোচ্চ অসামৰিক সন্মান কিং আব্দুলঅজিজ ছেইছেৰে সন্মানিত কৰিছিল। এই ভ্ৰমণে ৰাজনৈতিক, অৰ্থনৈতিক সুৰক্ষা আৰু প্ৰতিৰক্ষা খণ্ডত সহযোগিতাৰ বাবে উন্নত পৰিকাথামো গঢ়ি তোলাত সহায় কৰিছিল।

000000000

বিশ্বজুৰি আজি খ্ৰীষ্টানসকলপ পবিত্ৰ উৎসৱ ইষ্টাৰ উদযাপন কৰা হৈছে। খ্ৰীষ্টধৰ্মৰ প্ৰৱৰ্তক যীশুখ্ৰীষ্টই গুড ফ্ৰাইডেৰ দিনা মৃত্যুবৰণ কৰাৰ পাছত তেওঁৰ চেতনা লাভৰ লগত সংগতি ৰাখি এই উৎসৱ উদযাপন কৰা হয়। এই উপলক্ষে গীৰ্জাসমূহত বিশেষ প্ৰাৰ্থনাসভাৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে  পবিত্ৰ ইষ্টাৰ উপলক্ষে খ্ৰীষ্টান ধৰ্মাৱলম্বীসকলক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে কয়, যে এই উৎসৱে নতুন আশা আৰু নতুন আৰম্ভণিক

উৎসাহিত কৰে। যীশুখ্ৰীষ্টৰ শিকনিসমূহে মানুহক ভালপোৱা আৰু ত্যাগৰ পথ অনুসৰণ কৰিবলৈ প্ৰেৰণা যোগাই আহিছে বুলিও শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে।

এটা বাৰ্তাত উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে ইষ্টাৰে যীশুখ্ৰীষ্টৰ আদৰ্শৰ জৰিয়তে মানুহক আশাক নতুনত্ব প্ৰদান কৰে। তেওঁ কয়, যে যীশুখ্ৰীষ্টৰ সহানুভূতি, ক্ষমা আৰু সেৱাৰ অন্তহীন শিকনিয়ে এখন শান্তিপূৰ্ণ সমাজ গঠনৰ ক্ষেত্ৰত মানৱ সমাজক নিৰ্দেশনা দি আহিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সামাজিক মাধ্যমৰ বাৰ্তাত আশা প্ৰকাশ কৰে যে ইষ্টাৰে মানুহক আশা,নতুনত্ব আৰু সহানুভূতিৰ প্ৰতি উৎসাহিত কৰি তুলিব। ইষ্টাৰে সকলোৰে বাবে আনন্দ আৰু সমন্বয়ৰ বাৰ্তা আনিব বুলিও তেওঁ উল্লেখ কৰে।

ooooooooo

চাৰিদিনীয়া ভ্ৰমণসূচীৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতি জে ডি ভ্যান্স কাইলৈ পুৱা নতুন দিল্লীত উপস্থিত হ'ব। উপ ৰাষ্ট্ৰপতি গৰাকীৰ সৈতে আমেৰিকাৰ ছেকেণ্ড লেডী উছা ভ্যান্স, তেওঁলোকৰ সন্তান আৰু আমেৰিকা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকলেও উপস্থিত থাকিব। উল্লেখযোগ্য যে, উপ ৰাষ্ট্ৰপত ভ্যান্সৰ এয়া হ'ব দ্বিতীয়টো ভাৰত ভ্ৰমণ। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ সন্ধিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক সাক্ষাৎ কৰিব। উপ ৰাষ্ট্ৰপতি আৰু তেওঁৰ প্ৰতিনিধিসকলে দিল্লীত বিভিন্ন কাৰ্যসূচীত অংশ লোৱাৰ লগতে জয়পুৰ আৰু আগ্ৰা ভ্ৰমণ কৰিব বুলিও জানিব পৰা সুযোগ প্ৰদান কৰিব বুলি চলিত বৰ্ষৰ ১৩ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ আমেৰিকা ভ্ৰমণ সময়ত প্ৰকাশ কৰা হৈছিল। উল্লেখযোগ্য যে, ভ্ৰমণকালত দুয়ো পক্ষই পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু বিশ্বব্যাপী উন্নয়নৰ সন্দৰ্ভতো মত বিনিময় কৰিব।

ooooooo

মুৰ্ছিদাবাদৰ সাম্প্ৰদায়িক হিংসাৰ ঘটনাক লৈ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ সৈতে আলোচনা কৰা হ'ব আৰু বাস্তৱিক পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰতিবেদন প্ৰেৰণ কৰা হ'ব বুলি পশ্চিমবংগৰ ৰাজ্যপাল চি ভি বসুৱে প্ৰকাশ কৰিছে। কালি মুৰ্ছিদাবাদ জিলাৰ অশান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি কলকাতালৈ ওভতাৰ সময়ত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ৰাজ্যপালগৰাকীয়ে এইদৰে মন্তব্য কৰে। ৰাজ্যপাল বসুৱে কয়, যে প্ৰভাৱিত লোকসকলৰ ওপৰত বৰ্বৰ আক্ৰমণ হোৱাৰ বাতৰি পোৱা গৈছে। তেওঁ কয়, যে সভ্য সমাজৰ বাবে এনে ধৰণৰ আক্ৰমণ মুঠেও গ্ৰহণযোগ্য নহয়। ৰাজ্যপালগৰাকীয়ে কয়, যে মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় চৰকাৰৰ সৈতে তেওঁ বিষয়টো লৈ আলোচনা কৰিব। শ্ৰী বসুৱে কয়, যে জনসাধাৰণক সুৰক্ষা প্ৰদান কৰাটো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়ৰে দায়িত্ব তেওঁ লগতে কয়, যে অশান্ত অঞ্চলসমূহত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী নিয়োজিত কৰাৰ পাছৰে পৰা পৰিস্থিতি উন্নত হৈছে।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল খেলোৱা হ'ব। বিয়লি চাৰে তিনি বজাত চণ্ডীগড়ৰ মহাৰাজা যাদৱিন্দ্ৰ সিং আন্তৰ্জাতিক ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন খেলত পাঞ্জাব কিংছ, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পাঞ্জাব কিংছ ১০ পইণ্টেৰে পইণ্ট তালিকাত তৃতীয় স্থানত আছে। ইয়াৰ বিপৰীতে ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু ৮ পইণ্ট লাভ কৰি তালিকাৰ অষ্টম স্থানত আছে।

আজি হ'বলগীয়া আনখন খেলত মুম্বাই ইণ্ডিয়ানছে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে খেলিব। খেলখন মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। নিজৰ ৭খন খেলৰ মাত্ৰ দুখনতহে জয়লাভ কৰা চেন্নাই ছুপাৰ কিংছ পইণ্ট তালিকাৰ একেবাৰে শেষত আছে। প্ৰতিযোগিতাত টিকি থাকিবৰ

বাবে দলটো পৰৱৰ্তী ৭খন খেলৰ কমেও ছখনত জিকিব লাগিব। মুম্বাই ইণ্ডিয়ানছ দলটোও বিশেষ ভাল স্থিতিত নাই। দলটো মাত্ৰ তিনিখন খেলতহে জয় হৈছে। কিন্তু বুমৰাহ, সূৰ্যকুমাৰ আৰু হাৰ্দিকৰ জৰিয়তে দলটোৰে এতিয়াও আশা উজ্জীৱিত কৰি ৰাখিছে।

প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছে - ৰাজস্থান ৰয়েলছক দুই ৰানত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ১৮১ ৰানৰ লক্ষ্যৰে খেলি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৭৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। আৱেশ খানক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে লক্ষ্ণৌ চুপাৰ জায়েণ্টছে টছক জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ১৮০ ৰাণ সংগ্ৰহ কৰে।

কালিৰ আন এখন খেলত গুজৰাট টাইটানছে দেলহি কেপিটেলছক ৭ উইকেটত পৰাস্ত কৰে। গুজৰাট টাইটানছে ২০৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু দুটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দেলহি কেপিটেলছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ২০৩ ৰাণ কৰে।

০০০০০০০০০

সমাপ্ত